**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***:::::::::::::::::::::::::::::::::***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰিব। তিনিদিনীয়াকৈ হ'বলগীয়া এই মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ সংস্কৃতি, চহকী বস্ত্ৰশিল্প, শিল্পকলা আৰু পৰ্যটনৰ প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মীৰূপে পৰিচিত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিক্কিম আৰু ত্ৰিপুৰাই দেশৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱত ২৫০ গৰাকীতকৈ অধিক শিল্পীয়ে হস্তশিল্প, বস্ত্ৰ আৰু কৃষি তথা উদ্যান শস্যৰ জি আই টেগ লাভ কৰা ৩৪ বিধ সা-সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰিব। এই অনুস্থানৰ সৈতে সংগতি ৰাখি ফেশ্বন শ্ব', ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন আদিৰো আয়োজন কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৩২০ গৰাকী কৃষক আৰু শিল্পীৰ সা-সামগ্ৰী প্ৰদৰ্শন হ'বলগীয়া গ্ৰাম্য হাট বজাৰ এই মহোৎসৱৰ বিশেষ আকৰ্ষণ। উল্লেখযোগ্য যে এই মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী, উদ্যোগীসকলক নতুন সুযোগ প্ৰদান কৰিব।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বড়োলেণ্ড আঞ্চলিক পৰিষদ বিধান পালিকালৈ দুজন নতুন কাৰ্যবাহী সদস্য মনোনীত কৰিছে। এওঁলোক হৈছে সজল কুমাৰ সিংহ আৰু ছাইকং বসুমতাৰী। বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ পৰামৰ্শ অনুসৰি এই দুজন সদস্যক কাৰ্যবাহী সদস্যৰূপে নিযুক্তি দিয়া হৈছে। এই নতুন অন্তৰ্ভুক্তিৰ ফলত বি টি চিত বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ প্ৰতিনিধিত্ব বৃদ্ধি পোৱাৰ লগতে কাৰ্যবাহী পৰিষদৰ কাৰ্যক্ষমতা অধিক বৃদ্ধি পাব বুলি আমাৰ কোকৰাঝাৰৰ সংবাদদাতাই জনাইছে।

ooooo

ৰাজ্য চৰকাৰে আজি ২০২৪-২৫ বৰ্ষৰ বাবে সাহিত্য বঁটা আৰু পেঞ্চন প্ৰাপকৰ তালিকা প্ৰকাশ কৰিছে। অহা ৭ ডিচেম্বৰত প্ৰয়াত সাহিত্যিক হোমেন বৰগোহাঞিৰ জন্ম দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ৩১ গৰাকী ব্যক্তিক এই সন্মান জনোৱা হ'ব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা।

ooooo

পুৰুষৰ ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হ'ব। শ্বাৰজাহত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে ১০ বজাত

আৰম্ভ হ'ব। ডুবাইত হ'বলগীয়া আনখন ছেমি ফাইনেলত পাকিস্তান, বাংলাদেশৰ মুখামুখি হ'ব। ভাৰতে গ্ৰুপ-এৰ শেষৰখন খেলত আৰব আমিৰি ৰাষ্ট্ৰক ১০ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। জাপান আৰু আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে জয়লাভ কৰি ভাৰত নিজৰ গ্ৰুপৰ দ্বিতীয় স্থানত আছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত বোৰ্ডাৰ-গাভাস্কাৰ টেষ্ট শৃংখলাৰ দ্বিতীয়খন ক্ৰিকেট টেষ্ট আজি কিছু সময় পাছতে এডিলেইডত আৰম্ভ হ'ব। পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ২৯৫ ৰাণৰ বৃহৎ ব্যৱধানত পৰাজিত কৰিছিল। ভাৰতীয় দলটোৰ অধিনায়ক ৰোহিত শৰ্মাই সংবাদ মেল এখনত অংশগ্ৰহণ কৰি কয়, যে কে. এল. ৰাহুলে যশস্বী জয়ছৱালৰ সৈতে অপেনিং কৰিব।

০০০০০

আজি সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱস। এই দিৱসৰ লগত সংগতি ৰাখি অসমৰো বিভিন্ন স্থানত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ পানীখাইতিত থকা কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানত আজি কেন্দ্ৰীয়ভাৱে এই দিৱসৰ আয়োজন কৰা হৈছে। কাৰ্যসূচীত বিভাগীয় সঞ্চালক হাৰ্ডি সিঙে অংশগ্ৰহণ কৰিব। দিৱস উপলক্ষে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব। তিনিচুকীয়া জিলাতো অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে চাফাই অভিযান, পতাকা উত্তোলন, গছপুলি ৰোপণৰ লগতে স্বেচ্ছাসেৱকসকলক শুভেচ্ছা জ্ঞাপন, সজাগতা সমদল, দুৰ্যোগ সজাগতা আখৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা আয়ুক্তই এই সমদলৰ শুভাৰম্ভ কৰিব।

০০০০০

বাহৰেইনত আজিৰেপৰা চলিত বৰ্ষৰ বিশ্ব ভাৰোত্তলন প্ৰতিযোগিতা আৰম্ভ হ'ব। ৩ গৰাকী মহিলা ভাৰতীয় ভাৰোত্তলকে এই প্ৰতিযোগিতাত ভাগ ল'ব। অৱশ্যে পুৰুষ শাখাত এই বছৰ কোনো ভাৰতীয় খেলুৱৈয়ে অংশগ্ৰহণ কৰা নাই। অলিম্পিকৰ পদক বিজেতা মীৰাবাই চানু এই প্ৰতিযোগিতাত ভাগ লোৱা নাই। চানুৰ অনুপস্থিতিত জ্ঞানেশ্বৰী য়াদৱে মহিলাৰ ৪৯ কিলোগ্ৰাম শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। প্ৰতিযোগিতাৰ এই শাখাৰ গ্ৰুপ-এত স্থান লাভ কৰা জ্ঞানেশ্বৰী হৈছে একমাত্ৰ ভাৰতীয় ভাৰোত্তলক। কমনৱেলথ পদক বিজয়ী বিন্দিয়াৰাণী দেৱীয়ে মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-বিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে দিতীমণি সোণোৱালে ৬৪ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-চিত খেলিব।

০০০০০

সমাপ্ত